# ০.০ প্ৰস্তাৱনা অধ্যায়

## ০.১ বিষয়ৰ পৰিচয় ঃ

স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা গভীৰ প্ৰেম-ভালপোৱা, আন্তৰিক অনুৰাগ বা আনুগত্যই হৈছে স্বদেশপ্ৰেম। মহৎ তথা স্থায়ী সাহিত্যৰ এক বিশাল অংশ স্বদেশপ্ৰেমেৰে সিক্ত। বিশ্বৰ ভিন ভিন সাহিত্যৰ বুকুত তাৰ অলেখ উদাহৰণ আছে। অসমীয়া সাহিত্যও তাৰ ব্যতিক্ৰম নহয়। প্ৰাচীন কালৰ পৰাই অসমীয়া সাহিত্যত দেশমাতৃৰ প্ৰতি গভীৰ অনুৰাগ প্ৰকাশক ভাৱৰ উন্মেষ হৈ আহিছে। অৱশ্যে স্বাভাৱিক ৰূপত অসমীয়া সাহিত্যত স্বদেশপ্ৰেম *'অৰুনোদই'* (১৮৪৬-১৮৮০) যুগৰ পৰাহে প্ৰকাশ পায়। *'অৰুনোদই'* সম্বাদপত্ৰৰ জৰিয়তে গঢ়ি উঠা ভাষিক চেতনাবোধে জন্ম দিয়া জাতীয়তাবাদী ভাৱধাৰাই অসমীয়া মানুহৰ প্ৰাণত স্বদেশপ্ৰেমৰ বীজ ৰোপণ কৰে। ভাষিক চেতনাবোধৰ উপৰিও *'অৰুনোদই'*সম্বাদপত্ৰই অসমীয়াৰ প্ৰাণত সঞ্চাৰ কৰিছিল সাংস্কৃতিক জাতীয়তাবোধ আৰু ঐতিহ্যপ্ৰীতি। এইক্ষেত্ৰত আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱাৰ উপৰিও লম্বোদৰ বৰা, কমলাকান্ত ভট্টাচাৰ্য অগ্ৰণী ব্যক্তি। তেওঁলোকৰ ৰচনাত জাতীয়তাবোধে সৃষ্টি কৰা স্বদেশপ্ৰেম বিভিন্ন ভাৱেৰে প্ৰকাশ ঘটিছে। জাতিক জগোৱা মন্ত্ৰেৰে মুখৰ  জাতীয় জাগৰণৰ ধ্বনি, জাতীয় অধঃপতনৰ পৰা মুক্তিৰ আহ্বান, পৰাধীনতাৰ গ্লানি তেওঁলোকৰ সাহিত্যত দেখিবলৈ পোৱা যায়। 'বিশেষকৈ কমলাকান্তৰ কবিতা আৰু চিন্তামূলক প্ৰবন্ধবোৰত স্বদেশ প্ৰেমৰ জাজ্বল্যমান বহ্নিশিখা দেখিবলৈ পোৱা যায়।[১]

স্বদেশপ্ৰেমৰ ধাৰাটি শক্তিশালী আৰু পৰিপুষ্ট ৰূপত অসমীয়া সাহিত্যত বিকাশ লাভ কৰে *'জোনাকী'* (১৮৮৯) আলোচনী প্ৰকাশৰ পৰা। *'জোনাকী'* আলোচনীয়ে সৃষ্টি কৰা ৰোমাণ্টিক যুগ বা বেজবৰুৱা যুগ (১৮৮৯-১৯৪০) ৰ ঘাই চালিকাশক্তি আছিল 'স্বদেশপ্ৰেম'। এইক্ষেত্ৰত অগ্ৰণী ব্যক্তি

১। সত্যেন্দ্ৰনাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃ. ৩১০

হ'ল লক্ষ্মীনাথ বেজবৰুৱা, যিজনে ওৰে জীৱন নিজ দেশৰ ভাষা-সাহিত্য-সংস্কৃতিক ঐতিহ্যপূৰ্ণ আৰু স্বতন্ত্ৰৰূপে প্ৰতিষ্ঠিত কৰিবৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল।

> এই সুগভীৰ স্বদেশানুৰাগ, স্বদেশপ্ৰীতি বেজবৰুৱাৰ সাহিত্যৰ প্ৰত্যেকটো শব্দৰ ভিতৰেদি প্ৰকাশ পাইছে। তেওঁ সকলো ৰচনাৱলী এই স্বদেশানুৰাগৰ বোলেৰে বোলোৱা। তেওঁ হাঁহি-ধেমেলীয়া ৰচনাৰ পৰা আৰম্ভ কৰি শেষৰ ডোখৰৰ আধ্যাত্মিক ৰচনাৱলীলৈকে সকলোৰে ঐক্যসূত্ৰ এই স্বদেশানুৰাগ, এই স্বদেশপ্ৰীতিয়েই বেজবৰুৱাৰ সাহিত্যৰ মূল মন্ত্ৰ।[২]

ৰোমাণ্টিক যুগৰ কবি-সাহিত্যিকসকলৰ প্ৰাণত স্বদেশপ্ৰেম জাগ্ৰত হোৱাত প্ৰধানকৈ ক্ৰিয়া কৰিছিল ইংৰাজী সাহিত্য অধ্যয়ন, বংগৰ নৱজাগৰণ আৰু ঐতিহ্যৰ পৰা লাভ কৰা ভাৱবাদী দৰ্শনে। তাৰ উপৰিও ভাৰতবৰ্ষৰ পৰাধীন অৱস্থা আৰু গান্ধীজীৰ নেতৃত্বত চলা ভাৰতৰ স্বাধীনতা আন্দোলনে স্বদেশপ্ৰেমক সুতীব্ৰ ৰূপত প্ৰতিষ্ঠা কৰিছিল। '... অসমীয়া মানুহৰ প্ৰাণত আত্মচৈতন্য আৰু দেশাত্মবোধ জগাই তোলা ...'[৩] লক্ষ্যৰে জন্ম হোৱা জোনাকী যুগৰ সাহিত্যৰ বিবিধ ৰূপৰ মাজেৰে এই ভাৱধাৰা পৰিব্যাপ্ত ৰূপত বিকাশ লাভ কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, লম্বোদৰ বৰা, ৰত্নেশ্বৰ মহন্ত, পানীন্দ্ৰনাথ গগৈ, বেণুধৰ ৰাজখোৱা, আনন্দচন্দ্ৰ আগৰৱালা, কনকলাল বৰুৱা, ৰজনীকান্ত বৰদলৈ, পদ্মনাথ বৰুৱা, চন্দ্ৰধৰ বৰুৱা আদি সেই যুগৰ লেখকৰ সাহিত্যই এই ধাৰাৰ সাহিত্যক শক্তিশালী কৰি তুলিছিল। ১৮৮৯ চনতে আৰম্ভ হোৱা স্বদেশপ্ৰেমৰ এই ধাৰাটি ১৯৪০ চন পৰ্যন্ত অত্যন্ত শক্তিশালীভাৱে অসমীয়া সাহিত্যত চলি আছিল। পৰৱৰ্তী সময়তো এই ধাৰাৰ সাহিত্য অসমীয়া সাহিত্যত অন্তঃসলিলা ফল্গুৰ দৰে বৈ আছে।

কুৰি শতিকাত স্বদেশপ্ৰেমৰ ব্যাপ্তি ঘটোৱাত কবিতা হৈ পৰিছিল এক শক্তিশালী মাধ্যম। কবিতাৰ উপৰিও গীত, নাটক, প্ৰহসন, উপন্যাস, প্ৰবন্ধ, সমালোচনামূলক সাহিত্য, জীৱনীমূলক ৰচনা আদিত স্বদেশপ্ৰেমৰ ব্যাপ্তি পৰিলক্ষিত হয়। লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, কমলাকান্ত

২। বাণীকান্ত কাকতি, 'বেজবৰুৱা', *বাণীকান্ত চয়নিকা,* সম্পা. মহেশ্বৰ নেওগ, পৃ. ১২৯
৩। নগেন শইকীয়া, *অৰুনোদইৰ পৰা জোনাকীলৈ*, পৃ. ৮৩

ভট্টাচাৰ্য, হেমচন্দ্ৰ গোস্বামী, ৰত্নেশ্বৰ মহন্ত, দণ্ডিনাথ কলিতা, অম্বিকাগিৰি ৰায়চৌধুৰী, শৈলধৰ ৰাজখোৱা, নলিনীবালা দেৱী, পদ্মধৰ চলিহা, ডিম্বেশ্বৰ নেওগ, পাৰ্ব্বতিপ্ৰসাদ বৰুৱা, বিনন্দ চন্দ্ৰ বৰুৱা, অতুলচন্দ্ৰ হাজৰিকা, আনন্দ চন্দ্ৰ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, গণেশ গগৈ, প্ৰসন্নলাল চৌধুৰী, দেৱকান্ত বৰুৱা ইত্যাদি বিভিন্নজন কবি-সাহিত্যিকৰ সাহিত্যত তীব্ৰ ৰূপত স্বদেশপ্ৰেমৰ ধাৰাটি অত্যন্ত গভীৰভাৱে লক্ষ্য কৰা যায়। বিনন্দ চন্দ্ৰ বৰুৱা আৰু তেওঁৰ সমসাময়িক কবি-সাহিত্যিকৰ সাহিত্যত অতীতক সজীৱ আৰু স্পন্দনময় ৰূপত শক্তিশালী ভাষাত দাঙি ধৰা দেখা গৈছে। অৱশ্যে বিনন্দ চন্দ্ৰ বৰুৱা এইক্ষেত্ৰত একক আৰু অনন্য।

কুৰি শতিকাৰ কবি-সাহিত্যিকসকলৰ সাহিত্যত ফুটি উঠা পৰাধীনতাৰ তীব্ৰ গ্লানি আৰু কাৰণ্যও স্বদেশপ্ৰেমৰ অন্য ৰূপ। এই সময়ৰ সাহিত্যত পৰাধীনতাৰ শিকলি ছিঙি দেশমাতৃৰ উদ্ধাৰৰ নিমিত্তে জাতীয় চৈতন্য জাগৰণ আৰু জাতিক সুতীব্ৰ সমালোচনাৰে অতীত ঐতিহ্য উদ্ধাৰৰ আহ্বান ধ্বনিত হোৱা দেখা যায়। প্ৰাদেশিক চেতনাৰে উদ্বুদ্ধ হৈ ভাৰতীয় গৌৰৱ গাথাৰে বিশ্বপ্ৰেমলৈ ধাৱিত হোৱাৰ মন্ত্ৰ কবিতাৰ লগতে সেই সময়ৰ সাহিত্যিকসকলৰ অন্যান্য ৰচনাৰাজিত বিদ্যমান। এই ক্ষেত্ৰত ইতিহাস চেতনা আৰু সমসাময়িক চেতনা সমানেই গুৰুত্বপূৰ্ণ। সেই সময়ৰ সাহিত্যত স্বদেশপ্ৰেমেৰে সিক্ত বিদ্ৰোহী চেতনাও লক্ষ্য কৰা যায়। অন্যহাতে প্ৰবল আশাবাদ এই শ্ৰেণী সাহিত্যৰ অন্যতম এক বৈশিষ্ট্য।

কুৰি শতিকাৰ তৃতীয়-চতুৰ্থ দশকত কবিতাৰে অসম গৌৰৱক জীয়াই ৰাখিবলৈ যত্ন কৰা বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্য সৃষ্টিৰ মূল অনুপ্ৰেৰণা আছিল ‘স্বদেশপ্ৰেম’। ‘স্বদেশপ্ৰেম’ হৈ পৰিছিল বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰ অন্যতম ঘাই চালিকাশক্তি। স্বদেশপ্ৰেমৰ উদাত্ত কণ্ঠেৰে, শক্তিশালী আৰু ধ্বনি-ব্যঞ্জনাময় ভাষাৰে আলোড়ন সৃষ্টি কৰা বিনন্দ চন্দ্ৰ বৰুৱা একাধাৰে এজন কবি, নাট্যকাৰ, গীতিকাৰ, প্ৰাবন্ধিক, ব্যংগ লেখক, শিশু সাহিত্যিক আৰু আত্মজীৱনী লেখক।

অতীত ইতিহাস সোঁৱৰণ, ঐতিহ্যপূৰ্ণ অতীতৰ জয়গান, অতীতৰ বীৰত্বব্যঞ্জক কাহিনীৰে জাতীয় চৈতন্য জাগ্ৰত কৰা, দেশৰ বীৰ বীৰাংগণা, দেশ নিৰ্মাতাসকলক সশ্ৰদ্ধ সোঁৱৰণ, মাতৃভাষাৰ প্ৰতি অগাধ ভক্তি, মহাকাব্যিক প্ৰেৰণাৰে কৰ্ম কৰাৰ আহ্বান, দেশমাতৃৰ উদ্ধাৰৰ নিমিত্তে অহোপুৰুষাৰ্থ কৰাৰ আহ্বান, শুভ শক্তিৰ আৰাধনা আৰু সুস্থ আশাবাদ বিনন্দচন্দ্ৰ বৰুৱাৰ সাহিত্যৰ অন্যতম বৈশিষ্ট্য। উক্ত বৈশিষ্ট্যসমূহে বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজিক কৰি তুলিছে স্বদেশপ্ৰেমৰ অমল উৎস। বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত

প্ৰতিফলিত স্বদেশপ্ৰেম মহাত্মা গান্ধী প্ৰভাৱিত-উদাৰবাদী আৰু প্ৰাদেশিক চেতনাৰে উদ্বুদ্ধ। বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যই ভাৰতীয় জাতীয়তাবোধৰ মাজেৰে বিশ্বভাবনাৰ নিদৰ্শনো দাঙি ধৰিছে। স্বদেশৰ ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি গভীৰ অনুৰাগ ৰঞ্জিত আৰু জাতীয় অনুষ্ঠানৰ দায়বদ্ধতা প্ৰকাশক বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যকৰ্মত প্ৰকাশিত সুস্থ আশাবাদ স্বদেশপ্ৰেমৰ অন্যতম নিদৰ্শন।

**০.২ অধ্যয়নৰ গুৰুত্ব আৰু উদ্দেশ্য ঃ**

কুৰি শতিকাৰ অসমীয়া সাহিত্যত প্ৰতিফলিত স্বদেশপ্ৰেমে সৃষ্টি কৰা আলোড়ন আৰু তাৰ সুদূৰপ্ৰসাৰী প্ৰভাৱৰ ক্ষেত্ৰত বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজি অধ্যয়ন অত্যন্ত গুৰুত্বপূৰ্ণ। বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতা, নাটক, শিশু সাহিত্য, প্ৰবন্ধ, আত্মজীৱনীমূলক ৰচনা ইত্যাদি সকলোতে স্বদেশপ্ৰেম কেন্দ্ৰীয় বিষয়বস্তু হৈ ধৰা দিছে। স্বদেশপ্ৰেম হৈছে বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্য সাধনাৰ আধাৰ। অসমীয়া সাহিত্যত স্বদেশপ্ৰেমৰ বিষয়ে জানিবলৈ সবাতোকৈ গুৰুত্বপূৰ্ণ দিশ বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্য বুলি বিনা দ্বিধাই ক'ব পৰা যায়। কাৰণ জাতীয় উন্নতিৰ সোপান হ'ল জাতীয় চেতনা। ই ঐতিহ্যবোধ আৰু বুৰঞ্জী বিশ্লেষণে প্ৰদান কৰা সুস্থ জ্ঞান। বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত প্ৰতিফলিত উক্ত দিশবিলাকে ৰোমাণ্টিক যুগত সৃষ্টি কৰা স্বদেশপ্ৰেম কিমান গভীৰ আৰু আবেদনময় সেই বিচাৰ অত্যন্ত গুৰুত্বপূৰ্ণ। অসমৰ জাতীয় জীৱনক চহকী কৰা আৰু দেশমাতৃক উদ্ধাৰৰ আহ্বান প্ৰতিফলক বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত প্ৰকাশিত স্বদেশপ্ৰেম অধ্যয়ন আৰু বিশ্লেষণ সেয়ে এক গুৰুত্বপূৰ্ণ আৰু প্ৰাসংগিক বিষয়।

**অধ্যয়নৰ উদ্দেশ্য ঃ**

অসমীয়া সাহিত্য জগতত বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজিৰ এক সুকীয়া স্থান আছে। বৰুৱাৰ সাহিত্যৰাজিৰ অন্তৰ্নিহিত ভাবৰাশিৰ আবেদন একক আৰু বিশেষ বৈশিষ্ট্যসম্পন্ন। বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজি সদাস্মৰণীয় আৰু জাতীয় জীৱনক সদা আলোড়িত কৰি ৰাখিব পৰা গুণেৰে সমৃদ্ধ। এই সন্দৰ্ভত কবিতাৰ ক্ষেত্ৰত কিছু আলোচনা-সমালোচনা হৈছে যদিও অন্যান্য সাহিত্য-কৃতিৰ সন্দৰ্ভত তেনে আলোচনা-সমালোচনা এতিয়ালৈকে হোৱা দেখা নগ'ল। সাহিত্যৰ ন ন দিশৰ সন্দৰ্ভত গৱেষণা

বা আলোচনা-সমালোচনাত কবিতাৰ বাদে বৰুৱাৰ অন্যান্য স্বদেশপ্ৰেমমূলক সাহিত্যৰাজিৰ স্থান একেবাৰে সীমিত। অন্যহাতে স্বদেশপ্ৰেম অসমীয়া ৰোমাণ্টিক সাহিত্যৰ বিশেষ বিষয় হ'লেও বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত প্ৰকাশিত স্বদেশপ্ৰেম সমসাময়িক অন্যান্য স্বদেশপ্ৰেমমূলক সাহিত্যতকৈ পৃথক ভাবেৰে পৰিপুষ্ট। বুৰঞ্জীৰ গৌৰৱেৰে তথা অতীত ৰোমন্থনৰ জৰিয়তে অসমৰ জনগণক স্বদেশপ্ৰেমৰ মন্ত্ৰত দীক্ষিত কৰা বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজি অধ্যয়নৰ মূল উদ্দেশ্য হ'ল—

(১) বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেমৰ ব্যাপ্তি বিচাৰ।

(২) স্বদেশপ্ৰেম প্ৰচাৰ কৰা অসমীয়া সাহিত্যত বিনন্দ চন্দ্ৰ বৰুৱাৰ স্থান নিৰ্ণয়।

(৩) 'স্বদেশপ্ৰেম'ক এক 'শক্তি'ৰূপে প্ৰতিফলিত কৰা বিনন্দ চন্দ্ৰ বৰুৱাৰ বিস্তৃত সাহিত্যকৰ্মৰ ঐতিহাসিক মূল্য আৰু প্ৰাসংগিকতা বিচাৰ।

**০.৩ অধ্যয়নৰ ক্ষেত্ৰ আৰু পৰিসৰ ঃ**

প্ৰস্তাৱিত গৱেষণা কৰ্মৰ অধীনত অধ্যয়নৰ ক্ষেত্ৰ হ'ল কুৰি শতিকাৰ অন্যতম এজন সাহিত্যিক বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজি আৰু সাহিত্যৰাজিত প্ৰকাশ পোৱা স্বদেশপ্ৰেম বিচাৰ। বিষয়বস্তু অনুযায়ী বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজিৰ অধ্যয়ন সাতোটা অধ্যায়ত বিভক্ত কৰা হৈছে। এইক্ষেত্ৰত বৰুৱাৰ কবিতা, নাটক, শিশু সাহিত্য, প্ৰবন্ধ, আত্মজীৱনীমূলক ৰচনা আৰু বৈষ্ণৱ পদাৱলীৰ আৰ্হিৰ ৰচনা আদিত প্ৰকাশ পোৱা স্বদেশপ্ৰেম অধ্যয়ন সুকীয়া সুকীয়াভাৱে কৰা হৈছে আৰু কিছুসংখ্যক নিৰ্বাচিত ৰচনাৰ আধাৰত পৰিসৰ কোনো কোনো ক্ষেত্ৰত সীমিত কৰি লোৱা হৈছে। অধ্যায় অনুপাতে অধ্যয়নৰ ক্ষেত্ৰ আৰু পৰিসৰ এনেধৰণৰ—

প্ৰস্তাৱনা অধ্যায়ৰ জৰিয়তে গৱেষণা কৰ্মৰ বিষয়বস্তুৰ চমু পৰিচয় দাঙি ধৰা হৈছে। লগতে গৱেষণা কৰ্মৰ গুৰুত্ব আৰু উদ্দেশ্য, ক্ষেত্ৰ আৰু পৰিসৰৰ আভাস দিয়া হৈছে। গৱেষণা কৰ্মত ব্যৱহৃত তথ্যৰ উৎস আৰু পদ্ধতি উল্লেখ কৰাৰ উপৰি পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা আগবঢ়োৱা হৈছে। গৱেষণা কৰ্মৰ প্ৰাক কল্পনাসমূহো প্ৰস্তাৱনাত সন্নিৱিষ্ট কৰা হৈছে।

প্ৰথম অধ্যায়ত স্বদেশপ্ৰেমৰ স্বৰূপ ব্যাখ্যা কৰাৰ লগতে স্বদেশপ্ৰেমৰ সন্দৰ্ভত প্ৰাপ্ত সংজ্ঞাসমূহ আগবঢ়োৱা হৈছে। অধ্যায়টিত ভাৰতীয় সাহিত্যত স্বদেশপ্ৰেম সৃষ্টিৰ কাৰকসমূহ বিচাৰ কৰাৰ উপৰি

অসমীয়া সাহিত্যত স্বদেশপ্ৰেমৰ প্ৰকাশ আৰু বিকাশৰ এক থূলমূল ৰূপৰেখা প্ৰদান কৰা হৈছে। বিনন্দ চন্দ্ৰ বৰুৱাৰ জীৱন আৰু সাহিত্য কৃতিৰ সন্দৰ্ভত অধ্যায়টিত আলোচনা সংযোজন কৰা হৈছে।

দ্বিতীয় অধ্যায়ত বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাসমূহত প্ৰকাশিত স্বদেশপ্ৰেম বিচাৰ-বিশ্লেষণ কেইবাটাও দৃষ্টিকোণৰপৰা আগবঢ়াবলৈ যত্ন কৰা হৈছে। স্বদেশপ্ৰেম যে বিনন্দ চন্দ্ৰ বৰুৱাৰ ঘাই চালিকা শক্তি সেই সম্পৰ্কে আলোচনা কৰা হৈছে। লগতে কবিতা পুথিসমূহৰ চমু পৰিচয় দাঙি ধৰা হৈছে।

তৃতীয় অধ্যায়ত বিনন্দ চন্দ্ৰ বৰুৱাৰ নাটকৰ পৰিচয় আৰু বৰুৱাৰ পূৰ্ণাঙ্গ নাটককেইখনত প্ৰতিফলিত স্বদেশপ্ৰেমৰ বিচাৰ-বিশ্লেষণ আগবঢ়োৱা হৈছে। সমাজ জীৱনত ইয়াৰ প্ৰভাৱ আৰু বৰুৱাৰ সমসাময়িক সমাজত অসমীয়া মঞ্চনাটৰ অভাৱ দূৰ কৰাৰ ক্ষেত্ৰত বৰুৱাৰ নাটকৰ ভূমিকা সন্দৰ্ভতো আলোচনা কৰা হৈছে।

চতুৰ্থ অধ্যায়ত বিনন্দ চন্দ্ৰ বৰুৱাৰ শিশু সাহিত্যলানিৰ বিষয়বস্তু যে মূলতঃ স্বদেশপ্ৰেম সেই সন্দৰ্ভত আলোচনা কৰা হৈছে। শিশু সাহিত্যৰাজিৰ চমু পৰিচয় দাঙি ধৰা হৈছে। অসমীয়া শিশু সাহিত্য জগতত বৰুৱাৰ শিশু সাহিত্যৰাজিৰ মূল্যায়নৰ যত্ন কৰা হৈছে।

পঞ্চম অধ্যায়ত বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰবন্ধ সাহিত্যত প্ৰকাশিত স্বদেশপ্ৰেম আলোচনা কৰা হৈছে। স্বদেশপ্ৰেম প্ৰকাশৰ ক্ষেত্ৰত বৰুৱাৰ বিস্তৃত প্ৰবন্ধৰাজিৰ গুৰুত্বপূৰ্ণ ভূমিকা উদ্ধাৰৰ যত্ন কৰা হৈছে। লগতে প্ৰবন্ধসমূহৰ শ্ৰেণীবিভাগ আগবঢ়োৱা হৈছে আৰু প্ৰবন্ধসমূহৰ ঐতিহাসিক গুৰুত্ব উদ্‌ঘাটন কৰাৰ যত্ন কৰা হৈছে।

ষষ্ঠ অধ্যায়ত বিনন্দ চন্দ্ৰ বৰুৱাৰ আত্মজীৱনীমূলক লেখা 'অতীতৰ ৰিং' আৰু বৈষ্ণৱ পদাৱলীৰ আৰ্হিৰ ৰচনা 'বৰ নামঘৰৰ মাহাত্ম্য'ত প্ৰকাশিত স্বদেশপ্ৰেমৰ প্ৰবাহৰ বিচাৰ-বিশ্লেষণ আগবঢ়োৱা হৈছে। অতীত ৰোমন্থন বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত প্ৰকাশিত স্বদেশপ্ৰেমৰ মূল আধাৰ। 'অতীতৰ ৰিং'তো তাৰ প্ৰতিধ্বনি লক্ষ্য কৰা যায়। অন্যহাতে 'বৰ নামঘৰৰ মাহাত্ম্য'ৰ জৰিয়তে প্ৰকাশিত স্বদেশপ্ৰেম যে মহৎ ঐতিহ্যকেন্দ্ৰিক সেই সন্দৰ্ভত আলোচনা আগবঢ়োৱা হৈছে।

সপ্তম অধ্যায়ত উপসংহাৰৰ জৰিয়তে সমস্ত গৱেষণা কৰ্মৰ সংক্ষিপ্ত ৰূপৰেখা প্ৰদানৰ চেষ্টা কৰা হৈছে। লগতে গৱেষণা কৰ্মৰ ফলপ্ৰাপ্তি, সিদ্ধান্ত আৰু ভৱিষ্যৎ গৱেষণা কৰ্মৰ পথৰ নিৰ্দেশ সন্নিৱিষ্ট কৰা হৈছে।

গৱেষণা গ্ৰন্থৰ শেষত গ্ৰন্থপঞ্জী আৰু পৰিশিষ্ট সংযোগ কৰা হৈছে।

যদিও বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত আলোচনাযোগ্য ভালেমান দিশ দেখা যায়, গৱেষণাৰ বিষয় কেৱল স্বদেশপ্ৰেম হোৱাৰ বাবে অন্যান্য দিশসমূহ ঘাই আলোচনালৈ অনা হোৱা নাই। মুখ্য তথ্যৰ জৰিয়তে বিষয়সমূহ বিচাৰ-বিশ্লেষণ কৰা হৈছে। এইক্ষেত্ৰত সুনীল পৱন বৰুৱা সম্পাদিত ‘বিনন্দ চন্দ্ৰ বৰুৱা ৰচনাৱলী’ৰ সহায় লোৱা হৈছে। গৱেষণা কৰ্মত ব্যৱহৃত মূল পাঠৰ উদ্ধৃতিসমূহ উক্ত ৰচনাৱলীৰ পৰা উদ্ধৃত। লগতে অন্যান্য প্ৰাসংগিক উদ্ধৃতিৰ ব্যৱহাৰে গৱেষণাৰ বিষয়ৰ ক্ষেত্ৰত আমাৰ বক্তব্য স্পষ্ট কৰিবলৈ যত্ন কৰা হৈছে।

**০.৪ তথ্যৰ উৎস আৰু পদ্ধতি ঃ**

প্ৰস্তাৱিত গৱেষণা কৰ্মৰ তথ্য ‘মুখ্য’ আৰু ‘গৌণ’ এই দুই উৎসৰ পৰা আহৰণ কৰা হৈছে। ‘মুখ্য’ উৎসৰূপে ‘বিনন্দ চন্দ্ৰ বৰুৱাৰ ৰচনাৱলী’ৰ সহায় লোৱা হৈছে। বিনন্দ চন্দ্ৰ বৰুৱাৰ দুই-এখন পুথিৰ পুৰণি সংস্কৰণবোৰো চোৱা হৈছে।

‘গৌণ’ উৎসৰূপে বিভিন্ন প্ৰাসংগিক গ্ৰন্থ, গৱেষণা গ্ৰন্থ, আলোচনী আৰু সংশ্লিষ্ট গ্ৰন্থ, আলোচনীত প্ৰকাশিত প্ৰবন্ধৰাজিৰ সহায় লোৱা হৈছে।

গৱেষণা কৰ্মৰ পদ্ধতি হিচাপে ‘ঐতিহাসিক’ আৰু ‘বিশ্লেষণাত্মক’ এই দুই পদ্ধতি গ্ৰহণ কৰা হৈছে। কিন্তু প্ৰয়োজন সাপেক্ষে ‘বৰ্ণনাত্মক’ পদ্ধতিৰো সহায় লোৱা হৈছে। ‘বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেম’ শীৰ্ষক অধ্যয়ন ঘাইকৈ পুথিভঁৰালকেন্দ্ৰিক।

**০.৫ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ**

বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰ বিষয়ে ইতিমধ্যে যিবোৰ কাম হৈছে সেইবোৰৰ পৰা এই গৱেষণাত ল’ব পৰা সমল কিছু পোৱা গৈছে। পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাত প্ৰাপ্ত তথ্য এনেধৰণৰ—

মহেশ্বৰ নেওগৰ ‘অসমীয়া সাহিত্যৰ ৰূপৰেখা’ (২০০০) গ্ৰন্থত কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ কেৱল কাব্য প্ৰতিভাক সংক্ষিপ্ত ৰূপত দাঙি ধৰা দেখা গ’ল।

সত্যেন্দ্ৰনাথ শৰ্মাৰ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' (২০০৬) গ্ৰন্থত 'কাব্য-সাহিত্য' শিতানত 'বিনন্দ বৰুৱা' শীৰ্ষক লেখাত কবি বৰুৱাৰ কৃতিৰ চমু আলোচনা আগবঢ়াইছে। অন্যান্য দিশত তেনে আলোচনা দেখা পোৱা নগ'ল।

নন্দ তালুকদাৰৰ 'কবি আৰু কবিতা' (১৯৮৮) গ্ৰন্থত সন্নিৱিষ্ট 'বিনন্দ বৰুৱা' শীৰ্ষক লেখাটিত বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাসমূহৰ এক সামূহিক বিশ্লেষণ দেখিবলৈ পোৱা যায়। বৰুৱাৰ কবিতা সৰ্বজন সমাদৃত হোৱাৰ মূল কাৰণসমূহ এই আলোচনাৰ জৰিয়তে দাঙি ধৰা দেখা গ'ল।

হিমেন ভট্টাচাৰ্যৰ দ্বাৰা সম্পাদিত 'প্ৰতিধ্বনি' (ধ্বনিকবি সাহিত্যাচাৰ্য বিনন্দ চন্দ্ৰ বৰুৱা জন্ম শতবৰ্ষ - ২০০১) ত বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতা, বিনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰতিভা, নাট্যকাৰ ৰূপে বিনন্দ চন্দ্ৰ বৰুৱা ইত্যাদি দিশৰ কিছু আলোচনা পোৱা গ'ল। জাতীয়তাবাদী কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ 'ধ্বনি কাব্যত এভুমুকি' শীৰ্ষক সৰ্বেশ্বৰ ৰাজগুৰুৰ প্ৰবন্ধটিত ধ্বনি কবিৰ পৰিচয়, ঐক্য আৰু ত্যাগ স্বাধীনতাৰ মূল কথা, জাগ্ৰত যুৱশক্তিৰ যুগে যুগে জয়, স্বৰ্গাদপি গৰীয়সী, ভাৰত জননী আদি শিৰোনামেৰে বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰ এক আলোচনা পোৱা গৈছে।

কৰবী ডেকা হাজৰিকাৰ 'অসমীয়া কবিতা' (২০১৪)-ৰ চতুৰ্থ অধ্যায়ত 'অসমীয়া কবিতাত দেশপ্ৰেমৰ সুৰ' শীৰ্ষক আলোচনাত স্বদেশপ্ৰেমৰ স্বৰূপ আৰু অসমীয়া সাহিত্যত স্বদেশপ্ৰেম বিচাৰ বিভিন্ন কবিৰ বিভিন্ন কবিতাৰ উদ্ধৃতিৰে আলোচনা আগবঢ়োৱা দেখা গ'ল। অৱশ্যে বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰ কথা প্ৰসংগক্ৰমেহে উল্লেখ আছে।

কৰবী ডেকা হাজৰিকাৰ অন্য এখন গ্ৰন্থ 'অসমীয়া কবি আৰু কবিতা' (২০১১) গ্ৰন্থত 'ৰোমাণ্টিক বিস্তাৰৰ স্তৰ' শীৰ্ষক আলোচনাত বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাত প্ৰকাশ পোৱা স্বদেশপ্ৰেমৰ বিষয়ে কিছু আভাস পোৱা গৈছে।

ভৱ গোস্বামী সম্পাদনাত প্ৰকাশ পোৱা 'ধ্বনিকবি বিনন্দ চন্দ্ৰ বৰুৱা ব্যক্তিত্ব আৰু প্ৰতিভা' (১৯৮৬) শীৰ্ষক গ্ৰন্থখনিত বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতা, নাটক, ব্যক্তিত্ব ইত্যাদি সন্দৰ্ভত পৰিচয়মূলক আলোচনা দেখা পোৱা গৈছে।

আনন্দ বৰমুদৈৰ 'অসমীয়া কবিতাৰ সমালোচনা' (২০১২) গ্ৰন্থত 'বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতা' শীৰ্ষক এটি আলোচনাত বৰুৱাৰ কবিতাৰ সামগ্ৰিক আলোচনাই ৰোমাণ্টিক কবি ৰূপে বিনন্দ চন্দ্ৰ বৰুৱাৰ

নতুনত্বৰ কিছু দিশ উল্লেখ কৰা দেখা গ'ল।

অৰুণা দেৱী গোস্বামীৰ 'অসমীয়া কবিতাত জাতীয় চিন্তা' (২০১৪) গ্ৰন্থত 'বিনন্দ চন্দ্ৰ বৰুৱা' শীৰ্ষক লেখাটিত বৰুৱাৰ কবিতাত জাতীয় চিন্তাৰ প্ৰকাশ সন্দৰ্ভত এটি সমালোচনা আগবঢ়াইছে।

প্ৰসেনজিৎ কুমাৰ গোস্বামীৰ 'ভাষা-সাহিত্যৰ তেৰগৰাকী মহাৰথী' (২০০৫) গ্ৰন্থত 'ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা' শীৰ্ষক প্ৰবন্ধত বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যিক-সামাজিক আৰু ব্যক্তিগত জীৱন সামৰি এটি চমু অথচ তথ্যসমৃদ্ধ আলোচনা আগবঢ়োৱা দেখা গ'ল।

শোণিত বিজয় দাস আৰু মুনিন বায়নৰ সম্পাদনাত প্ৰকাশিত 'কথা বৰেণ্য— ১০০' (২০০৬)-ত 'অসমীয়া কবিতা কুৰি শতিকাৰ ৫০ গৰাকী কবি' শীৰ্ষক লেখাত কেৱল বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যিক প্ৰতিভাৰ চমু পৰিচয় প্ৰদানহে দেখা গ'ল।

ৰাজু বৰুৱাৰ সম্পাদনাত প্ৰকাশিত 'ভাবীকাল' (২০০১) ৰ পাতত ধ্বনি কবিৰ ব্যক্তিত্ব, জীৱন ইত্যাদি দিশবিলাক সাঙুৰি নলিনীধৰ ভট্টাচাৰ্য আৰু ডিম্বেশ্বৰ দয়াল শৰ্মাৰ দুটি লেখা পোৱা গৈছে।

দীপা বৰদলৈৰ 'অসমীয়া কবিতাত জাতীয় চেতনা' (২০০৩) শীৰ্ষক গুৱাহাটী বিশ্ববিদ্যালয়ত সম্পন্ন কৰা গৱেষণা কৰ্মত বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতা সন্দৰ্ভত আলোচনা কৰিছে যদিও বিজ্ঞানসন্মত আৰু প্ৰণালীবদ্ধ অধ্যয়নৰ বাবে অধিক থল থাকি যোৱা পৰিলক্ষিত হয়।

অসমীয়া ৰমন্যাসিক সাহিত্য (২০১২), জ্যোতিমালা গোহাঁই ফুকনৰ এই গ্ৰন্থত ৰমন্যাসিক অসমীয়া সাহিত্যত নান্দনিক ৰুচিবোধ বিচাৰ কৰাৰ লগতে অসমীয়া ৰোমাণ্টিক কবিতাৰ মাজত স্বদেশপ্ৰেমক বিশিষ্ট ৰূপত তুলি ধৰিছে। অৱশ্যে 'বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্য কৃতিত স্বদেশপ্ৰেম' শীৰ্ষক কোনো পোনপটীয়া আলোচনা দেখা পোৱা নগ'ল।

উক্ত সমীক্ষাত বিনন্দ চন্দ্ৰ বৰুৱাৰ কবিতাৰ ক্ষেত্ৰতহে আলোচনা-সমালোচনা পৰিলক্ষিত হ'ল। অন্যান্য সাহিত্যকৰ্ম যেনে— শিশু সাহিত্য, প্ৰবন্ধ, আত্মজীৱনীমূলক ৰচনা আদিত বিনন্দ চন্দ্ৰ বৰুৱাৰ স্বদেশপ্ৰেমৰ কোনো তথ্যপূৰ্ণ আলোচনা-সমালোচনা পোৱা নগ'ল। অৱশ্যে নাটকৰ ক্ষেত্ৰত দুই-এটা থূলমূল আলোচনা দেখা পোৱা গ'ল। প্ৰায়বিলাক লেখাতেই স্বদেশপ্ৰেম বা স্বদেশহিতৈষী বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰ বিশেষকৈ কবিতা, নাটক আদিৰ এক বৈশিষ্ট্যৰূপে উনুকিয়াই যোৱা দেখা গ'ল। 'বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেম' প্ৰস্তাৱিত গৱেষণা কৰ্মৰ পৰিসৰক সামৰি কোনো গৱেষণা

কৰ্ম হোৱা দেখা নগ'ল। সেয়েহে প্ৰস্তাৱিত বিষয়ত বিস্তৃত আৰু বিজ্ঞানসন্মত অধ্যয়নৰ অধিক প্ৰয়োজনীয়তা আছে।

**০.৬ প্ৰাক-কল্পনা ঃ**

'বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত স্বদেশপ্ৰেম' শীৰ্ষক নিৰ্বাচিত গৱেষণা কৰ্মৰ প্ৰাক-কল্পনাৰূপে গ্ৰহণ কৰা মত এনেধৰণৰ —

(১) ঊনৈশ শতিকাৰ শেষৰ দশকত অসমীয়া সাহিত্যত আৰম্ভ হোৱা স্বদেশপ্ৰেমৰ ধাৰাই কুৰি শতিকাৰ অসমীয়া সাহিত্যক দৃঢ় ৰূপত প্ৰতিষ্ঠা কৰাৰ মূলতে হ'ল বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যৰাজি।

(২) বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্যত প্ৰকাশ পোৱা স্বদেশপ্ৰেমে পৰাধীন অসমীয়া জাতিৰ প্ৰাণত মুক্তিৰ প্ৰয়াস, ঐতিহ্যপ্ৰীতি, দেশমাতৃৰ প্ৰতি ভক্তি, সুমধুৰ ধ্বনি ব্যঞ্জনা, ইতিহাস চেতনাৰ লগতে সুস্থ আশাবাদ জাগ্ৰত কৰি জাতিক উদ্বুদ্ধ কৰি আহিছে।

(৩) অসমীয়া ৰোমাণ্টিক সাহিত্যত স্বদেশপ্ৰেম এটা ঘাই দিশ। এই দিশত একানপতীয়াকৈ লগা বিনন্দ চন্দ্ৰ বৰুৱাৰ সাহিত্য বিশেষ বৈশিষ্ট্যসম্পন্ন।